
# এলে বেলে MBA পাচ

দেৱজিৎ ভূঞা



### পঞ্চদশ অধ্যায়

আমাৰ অসমীয়াত এষাৰ কথা আছে— ‘অভ্যাসৰ নৰ কৰ্ণপথে কৰে শৰ’। ইংৰাজীত আমি প্ৰায়ে কওঁ— 'Habit is the second nature'. অৰ্থাৎ অভ্যাসেই দ্বিতীয় প্ৰবৃত্তি। এসময়ত এখন দেশত এজন ৰজা আছিল। ধনুৰ্বিদ্যাত ৰজা অতিশয় পাৰ্গত আছিল আৰু এদিন তেওঁ নিজৰ ৰাণীক নিজৰ ধনুৰ্বিদ্যাৰ পাৰদৰ্শিতা দেখুৱাবৰ বাবে দৌৰি থকা হৰিণা পহু এটাৰ কাণৰ ফুটাৰে শৰ মাৰি দেখুৱাই ৰাণীক তেওঁৰ মন্তব্য সুধিলে। ৰাণীয়ে উত্তৰ দিলে— ‘অভ্যাসৰ নৰ কৰ্ণপথে কৰ শৰ’। ৰজাক প্ৰশংসা কৰাৰ পৰিৱৰ্তে এনে উত্তৰ দিয়া দেখি ৰজাৰ খুব খং উঠিল আৰু ৰাণীক বনবাস দি বনৰ এখন আশ্ৰমত এৰি থৈ আহিল। সেই আশ্ৰমত থাকোতে এজনী গাই গৰুৰ এটা মতা পোৱালি জন্ম হৈছিল। ৰাণীয়ে মৰমতে সৰুৰে পৰা পোৱালিটোক কোলাত লৈছিল। লাহে লাহে পোৱালিটো ডাঙৰ হ’ল যদিও নিতৌ কোলাত লোৱাৰ বাবে ৰাণীয়ে অনায়াসে পোৱালিটো কোলাত তুলি ল’ব পৰা হ’ল। এদিন পোৱালিটো এটা মস্ত বলধ গৰু হ’লগৈ যদিও ৰাণীয়ে বলধটো অনায়াসে কোলাত তুলি ল’ব পাৰে। ৰাণীৰ এই কাৰ্যৰ কথা প্ৰচাৰ হোৱাত বহুতো প্ৰজাই এই দৃশ্য চাবৰ বাবে আশ্ৰমলৈ আহিবলৈ ধৰিলে। এদিন ৰজাৰ কাণত পৰিল যে বনৰ মাজত থকা এখন আশ্ৰমত এগৰাকী মহিলাই বলধ গৰু এটা কোলাত তুলি ল’ব পাৰে। কৌতূহলবশতঃ ৰজাই এদিন আশ্ৰমখনলৈ গ’ল আৰু মহিলাগৰাকীয়ে বলধ গৰুটো কোলাত তুলি মৰম কৰা দৃশ্য প্ৰত্যক্ষ কৰিলে। ৰজাই আনন্দিত হৈ মহিলাগৰাকীক পুৰস্কৃত কৰিব খুজিলে আৰু তেওঁ এই কাম কেনেকৈ পাৰিলে সুধিলে। তেতিয়া মহিলাগৰাকীয়ে উত্তৰ দিলে— ‘অভ্যাসৰ নৰ কৰ্ণপথে কৰে শৰ’। ৰজাই তেতিয়া মহিলাগৰাকীৰ মুখলৈ ভালদৰে চাই ৰাণীক চিনি পালে আৰু নিজৰ ভুল উপলব্ধি কৰি ৰাণীক পুনৰ নিজৰ ৰাজপ্ৰাসাদলৈ ওভতাই নিলে।





Stephen Covey নামৰ লেখকগৰাকীয়ে তেওঁৰ বিখ্যাত কিতাপ 'The Seven Habits of Highly Effective People'ত কৃতকাৰ্য হোৱা ব্যক্তিসকলৰ সাতটা অভ্যাসৰ কথা উল্লেখ কৰিছে। এই সাতটা অভ্যাস বা habit হ’ল—

(ক) Be proactive অৰ্থাৎ সদায় উৎসাহী আৰু আগৰণুৱা হোৱাটো।

(খ) Begin with the end in mind. অৰ্থাৎ কাম এটা আৰম্ভ কৰাৰ সময়তে তাৰ পৰিসমাপ্তি বা শেষ কেনে হ’ব সেই কথা ভালদৰে মনৰ মাজত যুগুতাই লোৱা। সেয়ে আমি সদায়ে কওঁ শেষ ভালেই সকলো ভাল।

(গ) Put first thing first. অৰ্থাৎ যেতিয়াই যিটো কাম, তাক তেতিয়াই কৰা। সময়ৰ কাম সময়মতে কৰা। কঠীয়া পৰাৰ সময়ত কঠীয়া পৰা, ধন ৰোৱাৰ সময়ত ধান ৰোৱা, পানী যোগানৰ সময়ত পানী যোগান দিয়া, কীটনাশক ছটিওৱাৰ সময়ত কীটনাশক ছটিওৱা আৰু ফচল কটাৰ সময়ত ফচল কটা। আমাৰ অসমীয়াত কোৱা ‘চেগ চাই কঠীয়া পাৰা’ কথাষাৰৰ গুৰুত্ব ইয়াতেই।

(ঘ) Think win/win. আমি সদায়ে



কামত জয়-পৰাজয়ৰ কথা ভাবো। কিন্তু আমি যেতিয়া জয়-জয়ৰ কথা ভাবো তেতিয়া আমি মহৎ আৰু ভাল কাম অতি কৃতকাৰ্যতাৰে সমাধা কৰিব পাৰো। নিজৰ উন্নত ধানৰ বীজ গাঁৱৰ সকলো মানুহৰ মাজত বিতৰণ কৰি শ্ৰেষ্ঠ খেতিয়ক হোৱা জেংবৰ কাইৰ কথা আমি আগতে কৈ আহিছিলো। Stephen Coveyৰ কিতাপ নপঢ়াকৈ বহুতো সাধাৰণ মানুহে এই কথা উপলব্ধি কৰি জীৱনত কৃতকাৰ্য হৈ সময়ৰ বালিত নিজৰ খোজ ৰাখি যাব পাৰিছে।

(ঙ) Seek first to understand than to understood. আমি সদায়ে আনে কি কৈছে বুজিবলৈ চেষ্টা কৰি তাৰ সমাধান উলিওৱাৰ পৰিবৰ্তে আনে আমাক বুজাটো বিচাৰো আৰু তাৰ বাবে আমাৰ বক্তব্য উচ্চ স্বৰত বা আৱেগিকভাৱে ৰাখো। কিন্তু কৃতকাৰ্য হ'বৰ বাবে আমি যেতিয়া communication কৰিবলৈ যাম আমি আন বা বিপৰীত পক্ষৰ কথা শুনি বুজিহে আগুৱাব লাগিব। কেৱল শুনিলেই নহ'ব, মনোযোগ দি শুনিব লাগিব। কাৰণ বহুতো কথা মানুহৰ মুখৰ পৰা শুনি বুজাতকৈ, মানুহৰ আকাৰ-ইংগিতৰ পৰা (Body language) অধিক ভালদৰে বুজিব পাৰি। সেয়ে হয়তো আমাৰ অসমীয়াত কোৱা হয়— 'বুজাক বুজাবা ঠাৱৰে-ঠিৰৰে, নুবুজাক বুজাবা ধাৰা চাপৰেৰে'।

(চ) Synergism অৰ্থাৎ সন্তুলন আৰু ভাৰসাম্য বজাই ৰাখি সকলো দিশ সামৰি সঠিক সিদ্ধান্তত উপনীত হৈ কাম কৰা। চাউল, দাইল, নিমখ, তেল, মচলা, পানী আৰু জুইৰ প্ৰকৃত বা ভাল synergy হ'লেহে ভাল খিচিৰি তৈয়াৰ হয়। একেদৰে নিজৰ কাম, কথা আৰু অন্যান্য সকলো দিশৰ synergy হ'লেহে জীৱনত বা কামত কৃতকাৰ্য হ'ব পাৰি।

(ছ) Sharpening your saw. সময়ত নিজৰ তৰোৱালখন ধাৰ দি নথ'লে শত্ৰুৰ আক্ৰমণ প্ৰতিহত কৰিব নোৱাৰি। আমি আমাৰ মগজুৰ, হাতৰ কাম (Skill)ৰ সদায়ে ধাৰ দি যাব লাগিব। যিদৰে এখন কটাৰী পেলাই থৈ দিলে মামৰে খাই পেলায় আৰু দৰকাৰৰ সময়ত ব্যৱহাৰৰ অনুপযোগী হয়, ঠিক একেদৰে আমাৰ skill বা জ্ঞানৰ আকৰতো মামৰে ধৰে। সেয়ে আমি ধাৰ দি চকচকীয়া কৰি ৰাখিলেহে তাৰ ব্যৱহাৰ ভালদৰে হয়।

Stephen Coveyৰ কিতাপ আৰু তেওঁৰ The Seven Habits of Highly Effective Peopleৰ বিষয়ে এইবাবেই উল্লেখ কৰিবলগা হ'ল যে কেইদিনমান আগতে মোৰ বন্ধু এজনে তেওঁৰ এম বি এ পঢ়িবলৈ যাবলৈ ওলোৱা ল'ৰাজনক কৃতকাৰ্য হ'বৰ বাবে দহটা মন্ত্ৰ বা চাবিকাঠী দিবলৈ ক'লে। মই বন্ধুৰ ল'ৰাজনক Stephen Coveyৰ কিতাপখন পঢ়িবলৈ দিয়াৰ লগতে মোৰ ফালৰ পৰা বন্ধুৰে বিচৰা ধৰণে দহটা key word বা মোৰ ten commandmentৰ বিষয়ে ক'লো।



যেতিয়াই যিটো কাম, তাক তেতিয়াই কৰা। সময়ৰ কাম সময়মতে কৰা। কঠীয়া পৰাৰ সময়ত কঠীয়া পৰা, ধন ৰোৱাৰ সময়ত ধান ৰোৱা, পানী যোগানৰ সময়ত পানী যোগান দিয়া, কীটনাশক ছটিওৱাৰ সময়ত কীটনাশক ছটিওৱা আৰু ফচল কটাৰ সময়ত ফচল কটা। আমাৰ অসমীয়াত কোৱা 'চেগ চাই কঠীয়া পাৰা' কথাষাৰৰ গুৰুত্ব ইয়াতেই।

মোৰ নিজৰ মতে জীৱনত কৃতকাৰ্য হোৱা, মেনেজাৰ হিচাপে কৃতকাৰ্য হোৱা তথা মানুহ হিচাপে যিকোনো professionত কৃতকাৰ্য হোৱাৰ চাবিকাঠী একেকেইটাই। মই মোৰ বন্ধুৰ ল'ৰাক কোৱা কৃতকাৰ্যতাৰ দহটা key word হ'ল—

(ক) Attitude অৰ্থাৎ দৃষ্টিভংগী বা মনোভাব।

(খ) Discipline অৰ্থাৎ নিয়মানুৱৰ্তিতা।

(গ) Punctuality অৰ্থাৎ সময়ানুৱৰ্তিতা।

(ঘ) Hard Work অৰ্থাৎ কঠোৰ শ্ৰম।

(ঙ) Enthusism অৰ্থাৎ উৎসাহ আৰু উদ্দীপনা।

(চ) Commitment অৰ্থাৎ প্ৰতিশ্ৰুতি বা জবান।

(ছ) Knowledge and Skill অৰ্থাৎ জ্ঞান আৰু কুশলতা বা দক্ষতা।


(জ) Wisdom অৰ্থাৎ বুদ্ধিমত্তা বা বিচাৰ শক্তি।

(ঝ) Honesty অৰ্থাৎ সততা।

(ঞ) Integrity অৰ্থাৎ নৈতিক সাধুতা।

কৃতকাৰ্য হ'বৰ বাবে আৰু সমাজ তথা বিশ্বত নিজক প্ৰতিষ্ঠা কৰিবৰ বাবে সকলোতকৈ গুৰুত্বপূৰ্ণ key word হ'ল attitude বা দৃষ্টিভংগী বা মনোভাব। আমি

ঘোঁৰা এটাক বা গৰু এটাক পানী খাবৰ বাবে বাধ্য কৰিব নোৱাৰো। আমাৰ অসমীয়াতো এষাৰ কথা আছে— 'নোধোওঁ গা ধুৱালি, নাখাওঁ ভাত খুৱালি, নিগিলো কি কৰ কৰ'। এজন শুই থকা মানুহক টোপনিৰ পৰা জগাব পাৰি, কিন্তু টোপনিৰ ভাও জুৰি বিছনাত পৰি থকা মানুহ এজনক সহজে জগাব নোৱাৰি। কৰিমেই আৰু পাৰিমেই বুলি দৃষ্টিভংগী নাথাকিলে জীৱনত বা কেৰিয়াৰত বা আন কোনো কথাতেই কৃতকাৰ্য হোৱা অসম্ভৱ। এজন মানুহৰ শিক্ষা, জ্ঞান বা দক্ষতা আদিৰ বিষয়ে মানুহে বাহিৰৰ পৰা কথা-বতৰা পাতি বা আনক সুধি সহজে গম পাব পাৰে। কিন্তু attitude সহজে গম পোৱা নাযায়। কাৰণ মানুহৰ দৃষ্টিভংগী এদিনতে গঢ় লৈ নুঠে। ই এজন মানুহৰ মূল্যবোধ (values), মান (Standard), ৰায় (Judgement), অভিপ্ৰায় বা মতলব (Motives),



এজন শুই থকা মানুহক টোপনিৰ পৰা জগাব পাৰি, কিন্তু টোপনিৰ ভাও জুৰি বিছনাত পৰি থকা মানুহ এজনক সহজে জগাব নোৱাৰি। কৰিমেই আৰু পাৰিমেই বুলি দৃষ্টিভংগী নাথাকিলে জীৱনত বা কেৰিয়াৰত বা আন কোনো কথাতেই কৃতকাৰ্য হোৱা অসম্ভৱ।

নৈতিকতা (Ethics), বিশ্বাস (Belief), পৰিবেশ (Environment), শিক্ষা (Education) আৰু সংস্কৃতি (Culture) ইত্যাদিৰ সংমিশ্ৰণতহে গঢ় লৈ উঠে। গতিকে যিদৰে এজন মানুহৰ attitude এদিনতে গঢ় লৈ নুঠে, একেদৰে এজন মানুহৰ attitude সলনিও কৰিব নোৱাৰি। গতিকে এজন মানুহৰ জীৱনত যাতে যোগাত্মক দৃষ্টিভংগীৰ সৃষ্টি হয় বা develop হয় তাৰ বাবে পিতৃ-মাতৃৰ লগতে শিক্ষাগুৰুৱে আগভাগ ল'ব লাগিব আৰু কৰ্মজীৱনত মেনেজাৰ বা পৰিচালক এজনে নতুন কৰ্মচাৰীজনক গঢ় দিবৰ বাবে যত্নপৰ হ'ব লাগিব। আমাৰ অসমীয়াত সেয়ে কয়— 'চোৰে নেৰে চোৰ প্ৰকৃতি, কুকুৰে নেৰে ছাই, যাৰ যি স্বভাৱ মৰিলে লগতে যায়'। ইয়াত আচলতে স্বভাৱ শব্দৰ দ্বাৰা attitudeক বুজোৱা হৈছে। গতিকে attitude যদি যোগাত্মক হয়, attitude যদি কৃতকাৰ্য হ'বৰ বাবে আগবঢ়াৰ হয় জীৱনত কৃতকাৰ্য নোহোৱাৰ কোনো প্ৰশ্নই নুঠে।

মোৰ দৃষ্টিত কৃতকাৰ্যতাৰ দ্বিতীয় চাবি হ'ল discipline বা নিয়মানুৱৰ্তিতা। গুৱাহাটী মহানগৰীৰ এখন নাম থকা স্কুল হ'ল Donbosco School. এদিন নিশা প্ৰায় তিনি বজাত মই এটা বিশেষ কামৰ বাবে স্কুলখনৰ কাষেৰে পাৰ হৈ যাবলগা হ'ল। ৰাতি তিনি বজাত দেখিলো স্কুলৰ সন্মুখত বহুত মানুহৰ এক দীঘল শাৰী আৰু গাড়ী-মটৰৰ ভিৰ। ৰাতি তিনি বজাত স্কুলৰ সন্মুখত এনেদৰে মানুহৰ শাৰী দেখি মই কৌতূহলবশতঃ গাড়ীখন ৰখালো আৰু শাৰী পাতিবলৈ যাব খোজা এজন মানুহক সুধিলো এয়া কিহৰ ভিৰ? মানুহজনে উত্তৰ দিলে যে এয়া প্ৰথম শ্ৰেণী অৰ্থাৎ class 1ত নামভৰ্তিৰ বাবে আবেদন প্ৰপত্ৰ সংগ্ৰহৰ বাবে ভিৰ আৰু শাৰী। পুৱা দহ বজাৰ পৰাহে প্ৰপত্ৰ দিয়া হ'ব যদিও কালিৰে পৰা মানুহে লাইন পাতি আছে। মই অতিশয় আচৰিত হ'লো আৰু হাতত চাহৰ ফ্লাস্ক লৈ থকা মহিলাগৰাকীৰ কাষ চাপি গ'লো। কথা-বতৰা পাতি গম পালো যে তেওঁ শাৰীত গোটেই ৰাতি থিয় হৈ থকা স্বামীৰ বাবে চাহ আৰু বিস্কুট লৈ আহিছে। মই কথা প্ৰসংগত সুধিলো যে আজিকালিতো সকলো স্কুল একেই। সকলো স্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে টিউচন ল'ব লাগে, ক'চিং ইনষ্টিটিউটলৈ যাব লাগে। তেনেক্ষেত্ৰত এইখন স্কুলৰ এনে কি বিশেষত্ব যে মানুহে কেৱল প্ৰ-পত্ৰ সংগ্ৰহ কৰিবৰ বাবেই দুদিন ধৰি শাৰী পাতি আছে? মহিলাগৰাকীয়ে উত্তৰ দিলে যে এইখন স্কুলৰ discipline কেৱল ভালেই নহয়, আন স্কুলতকৈ বহু খোজ আগত। সেয়েহে তেওঁলোকে নিজৰ ল'ৰাজনক নিজৰ ঘৰৰ স্কুলত নিদি Donboscoত ভৰ্তি কৰোৱাৰ কথা ভাবিছে। এজন শিশু বা ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়িবৰ বাবে discipline যে কিমান গুৰুত্বপূৰ্ণ, তাক সকলো মাক-বাপেক তথা অভিভাৱকে উপলব্ধি কৰে আৰু সেয়ে নিজৰ ল'ৰা-ছোৱালীক এনে স্কুললৈ পঠাব খোজে য'ত নিয়মানুৱৰ্তিতা শিক্ষাৰ এক অবিচ্ছেদ্য অংগ, য'ত নিয়মানুৱৰ্তিতা way of life. আমাৰ বহুতে discipline বুলি ক'লে সেনাবাহিনীৰ strict disciplineৰ কথাহে ভাবে। কিন্তু discipline বুলি ক'লে যে নিজৰ জীৱনৰ দৈনন্দিন কামসমূহো সঠিকভাৱে নিয়াৰিকৈ, পৰিপাটীকৈ কৰাটোও সম্ভৱ হয় সেই কথা পাহৰি যায়। সৈনিক স্কুলসমূহ আৰু Christian Missionary Schoolসমূহৰ কৃতকাৰ্যতাৰ এক মূল কথা হ'ল discipline.

Disciplineৰ সমানে আন এক গুৰুত্বপূৰ্ণ বিষয় হ'ল punctuality বা সময়ানুৱৰ্তিতা। আচলতে punctuality আৰু discipline একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠি বুলি ক'ব পাৰি। সৰুৰে পৰা আমি শুনি আহিছো 'সময় অমূল্য ধন'। Time is money, Time and tide waits for none. সময়ৰ শৰ সময়ত মাৰিব লাগে ইত্যাদি ইত্যাদি। কিন্তু আমাৰ ভাৰতবৰ্ষত আৰু অসমত আমি punctualityক সকলোতকৈ গুৰুত্বহীন বুলি ভাবো। আমাৰ সমাজত সকলোতকৈ গুৰুত্বহীন আৰু মূল্যহীন কিবা বস্তু আছে, সেয়া হ'ল সময়। আমি অতিকৈ অপচয় কৰি ভাল পোৱা বস্তু হ'ল সময়। ইয়াৰ এক প্ৰধান কাৰণ হ'ল যে আমি সৰুৰে পৰা এনে এক culture বা পৰিবেশত ডাঙৰ হৈ আহিছো য'ত punctualityৰ কোনো গুৰুত্ব বা মূল্য নাই। উপদেশতকৈ আৰ্হি ভাল বুলি কোৱা হয়। সেয়ে আমি আমাৰ সমাজে দেখুওৱা আৰ্হি অনুসৰণ কৰি

সময়ানুৱৰ্তিতাক একো গুৰুত্ব নিদিওঁ। এবাৰ মোক গুৱাহাটীৰ এখন কেন্দ্ৰীয় বিদ্যালয়ত ভাষণ দিবৰ বাবে নিমন্ত্ৰণ কৰিছিল। ভাষণৰ সময় আছিল পুৱা দহ বজা। মই গৈ পুৱা ৯.৩০ বজাত স্কুলখনত গৈ উপস্থিত হ'লো। যিটো হলত ভাষণ হোৱাৰ কথা আছিল হলটো তলা মৰা অৱস্থাতে আছিল। মই চকীদাৰক ভাষণৰ কথা কোৱাত চকীদাৰে হলটো খুলি দিলে। হলৰ ভিতৰটো সম্পূৰ্ণ লেতেৰা আৰু বিশৃংখল অৱস্থাত। মই sweeper জনক বিচাৰি মাতি আনিলো আৰু দুয়ো দুডাল ঝাৰু লৈ হলটো ঝাৰু দিলো আৰু ছাত্ৰ-ছাত্ৰী বহিবৰ বাবে কাৰ্পেট আৰু চকী সজাই ঠিক-ঠাক কৰিলো। ইতিমধ্যে ১০.১৫ বাজিল আৰু দুই-এজনকৈ ছাত্ৰ-ছাত্ৰী অহা আৰম্ভ কৰিলে। ১০.৩০ বজাত শিক্ষক incharge আহিল আৰু যেতিয়া দুই-এজন ছাত্ৰৰ পৰা মই নিজেই ৰুম ঝাৰু দিয়াটো গম পালে খুব লাজ পালে আৰু বন্ধৰ দিনা কাৰ্যসূচী ৰখা বাবে দোষী হোৱা বুলি দুখ প্ৰকাশ কৰিলে। ইতিমধ্যে ১০.৪৫ মানত স্কুলৰ principal আহিল আৰু ১১ বজাৰ পৰা কাৰ্যসূচী আৰম্ভ হ'ল। কাৰ্যসূচীত থকা মোৰ ভাষণত সেয়ে মই নিৰ্দিষ্ট বিষয়ৰ পৰিবৰ্তে বৈৰাগী ছাৰৰ কথাই আৰম্ভ কৰিলো। আমি স্কুলত পঢ়োতে আমাৰ স্কুলত বৈৰাগী ছাৰ সকলোৰে বাবে ঘঁড়ীৰ দৰে আছিল। পুৱা স্কুলত বৈৰাগী ছাৰ গে'টৰ সন্মুখ পোৱাৰ লগে লগে চকীদাৰ ৰমণীকায়ে স্কুলৰ warning bell বজাই দিয়ে আৰু আমি প্ৰাৰ্থনা কৰিবৰ বাবে স্কুলৰ ফিল্ডলৈ দৌৰ মাৰো। স্কুলৰ ৱাৰ্নিং বেল মৰাৰ সময় হ'ল ৯.৪৫ বজা আৰু বৈৰাগী ছাৰ সদায় ৯.৪৪ বজাত গে'টত উপস্থিত হয়হি। স্কুলত বছৰ বছৰ ধৰি এই দৃশ্য দেখাৰ পিচত আমাৰ মনতো সময়ানুৱৰ্তিতা সম্পৰ্কে অভ্যাসৰ সৃষ্টি হৈছিল, যি আজিও আমাৰ মনত আৰু তেজৰ মাজত প্ৰবাহিত হৈ আছে। আমি সৰহসংখ্যক মানুহে সময়ানুৱৰ্তিতা হেঁচা বা pressureৰ বাবেহে পালন কৰো, কিন্তু অভ্যাসবশতঃ বা স্বভাৱগতভাৱে নহয়। পৰীক্ষা ৯ বজাত আৰম্ভ হয় বাবে বাধ্য হৈহে আমি ৯ বজাৰ আগতে পৰীক্ষা হল পাওঁ, ৰাজধানী এক্সপ্ৰেছ আমাৰ বাবে ষ্টেচনত ১৫ মিনিট অতিৰিক্তভাৱে নৰয় বাবেহে আমি সময়ত ষ্টেচন পাওঁগৈ নতুবা



**আমাৰ সমাজত সকলোতকৈ গুৰুত্বহীন আৰু মূল্যহীন কিবা বস্তু আছে, সেয়া হ'ল সময়। আমি অতিকৈ অপচয় কৰি ভাল পোৱা বস্তু হ'ল সময়।**

এয়াৰপ'ৰ্টত বিমান সময়মতে উৰে বাবেহে আমি সময়ত বিমানবন্দৰ পাওঁগৈ। কিন্তু মিটিং এখন বা সাংস্কৃতিক অনুষ্ঠান এটা আমি সময়মতে আৰম্ভ কৰিব নোৱাৰো। অফিচলৈ আমি সময়মতে যাব নোৱাৰো, কথা দিয়া সময়ত গৈ আমি আমাৰ বাবে অপেক্ষা কৰি থকা ব্যক্তিজনক লগ ধৰিব নোৱাৰো আনকি আমাৰ বহুতেই সময়ত গৈ চাকৰিৰ Interviewত উপস্থিত হ'ব নোৱাৰো। জীৱনত মই বহুতো মিটিঙৰ পৰা চহী কৰি ঘূৰি আহিছো, কাৰণ নিৰ্দিষ্ট সময়ৰ এঘণ্টা বা দুঘণ্টা পিচতো মিটিং আৰম্ভ হোৱা নাই। বহুতো ডাঙৰ কালচাৰেল প্ৰগ্ৰেমত তথাকথিত বিশিষ্ট গায়কৰ গান নুশুনাকৈ ঘূৰি আহিছো, কাৰণ সময়তকৈ বহু দেৰিলৈকে সেই কাৰ্যসূচী আৰম্ভ হোৱা নাই। সময়ানুৱৰ্তিতাৰ কথা ভাবিলেই মোৰ দেউতাৰ কথা মনত পৰে। দেউতাই সদায় আমাক এটা কথা গৈছিল যে ৱাৰ্টাৰলু যুদ্ধত মাত্ৰ কেইমিনিটমান পলম হোৱা বাবেই নেপোলিয়ন পৰাজিত হ'বলগা হৈছিল আৰু তেওঁ পলম নহ'লহেঁতেন তেন্তে হয়তো বিশ্বৰ ইতিহাস অন্য হ'লহেঁতেন। গতিকে আমাৰ এক মিনিটৰ পলমেই আমাৰ নিজৰ জীৱনৰ ইতিহাস কৃতকাৰ্যতাৰ পৰিবৰ্তে পৰাজয় আৰু হতাশাৰ ইতিহাস কৰিব পাৰে। সময়ানুৱৰ্তিতাৰ কথা আহিলেই মোৰ মনত Professor Mehamৰ কথাও মনত পৰে, যিয়েই নেকি আমাক শিকাইছিল We should not only be on time but we should be in time. সময়মতে উপস্থিত হোৱা মানে on time হোৱাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য। কিন্তু in time হোৱাটো আমাৰ কৃতকাৰ্যতা আৰু উন্নতিৰ বাবে অপৰিহাৰ্য। মেল-মিটিং, সভা-সমিতি, আলোচনাচক্ৰ, কালচাৰেল প্ৰগ্ৰেম আদিলৈ in time যোৱাৰ এক advantage আছে। মই সদায়ে in time এইবাবেই যাওঁ যে সোনকালে গ'লে প্ৰথম শাৰীত বহিবলৈ ছীট বা ঠাই পোৱা যায়, বক্তাৰ লগত পৰিচয় হোৱাৰ সম্ভাৱনা থাকে আৰু প্ৰথম শাৰীৰ পৰা বক্তাৰ Body language বা cultural programmত নাচ-গান ভালদৰে observe কৰিব পাৰি। আনহাতে কাৰোবাক কথা দি বা কাৰোবাৰ appointment লৈ সময়মতে বা in time উপস্থিত নহ'লে মোৰ নিজকে চোৰ চোৰ যেন লাগে। কাৰণ time is money বুলি মই দৃঢ়ভাৱে বিশ্বাস কৰো আৰু মই যদি ইচ্ছাকৃতভাৱে কাৰোবাৰ সময় নষ্ট কৰো তেন্তে মই তেওঁৰ টকা চোৰ কৰাৰ দৰে। **(আগলৈ)**